**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব বুলি মন্তব্য কৰিছে।

২।	আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টিৰ সংস্কাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩।	প্ৰধানমন্ত্ৰীয়ে আজি অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব।

৪।	জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য যোৰাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰা হ'ব।

*আৰু*

৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামগ্ৰী আৰু সেৱা কৰ- জি এছ্ টিক পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ বুলি উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব। আজি নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰৰ নতুন সংস্কাৰ সন্দৰ্ভত কালি দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। শ্ৰীমোদীয়ে উল্লেখ কৰে যে নতুন জি এছ্ টিৰ হাৰে কেৱল কৰ ৰাহি কৰাই নহয় বৰং এয়া হৈছে জি এছ্ টি সঞ্চয় উৎসৱ যিয়ে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ দাম হ্ৰাস কৰিব। এই নতুন কৰ সংস্কাৰৰ জৰিয়তে দেশে আত্মনিৰ্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

আজিৰে পৰা প্ৰযোজ্য হ'বলগীয়া নতুন জি এছ্ টিত পূৰ্বৰ ১২ আৰু ২৮ শতাংশ কৰ আঁতৰাই কেৱল ৫ আৰু ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে। শ্ৰীমোদীয়ে কয়, যে এই সংস্কাৰৰ জৰিয়তে ৰাষ্ট্ৰৰ বিকাশৰ গাথা সলনি হ'ব আৰু যুৱ প্ৰজন্ম, নব্য মধ্যবিত্ত শ্ৰেণী, কৃষক, মহিলা আৰু উদ্যমীসকল এই সঞ্চয় উৎসৱৰ পৰা লাভান্বিত হ'ব। প্ৰতিখন ৰাজ্যৰে দেশৰ বিকাশৰ যাত্ৰাত সম অংশীদাৰিত্ব থাকিব বুলি তেওঁ উল্লেখ কৰে। জি এছ্ টিৰ নতুন সংস্কাৰ, সঞ্চয় উৎসৱ আৰু নৱৰাত্ৰি উপলক্ষে দেশবাসীক শুভেচ্ছা জনাই শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে কৰ ব্যৱস্থাক সৰলিকৃত কৰিছে। ২০১৪ চনত ক্ষমতালৈ অহাৰ পাছতে তেওঁৰ চৰকাৰে ৰাজ্য আৰু অংশীদাৰীসকলৰ সৈতে আলোচনা কৰি জি এছ্ টি প্ৰৱৰ্তনত অগ্ৰাধিকাৰ দিছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ প্ৰচেষ্টাৰ ফলত বিভিন্ন ধৰণৰ কৰ কৰ্তন কৰা হৈছিল। তেওঁ কয়, যে অত্যাৱশ্যকীয় সামগ্ৰী, ঔষধ আৰু স্বাস্থ্য বীমাক ৫ শতাংশতকৈ কম কৰৰ আওতাত ৰখা হৈছে।

বিগত ১১ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হোৱাৰ বিষয়টোত প্ৰধানমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। নব্য মধ্যবিত্ত শ্ৰেণীটোৰ নিজস্ব আশা, আকাংক্ষা আছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ কৰৰ বোজা হ্ৰাস কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে নাগৰিক **দেৱো ভৱঃ** মন্ত্ৰৰে অগ্ৰসৰ হৈছে। দেশৰ নিৰ্মাণ খণ্ডক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক উন্নতমানৰ সামগ্ৰী প্ৰস্তুত কৰি দেশক গৌৰৱান্বিত কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ্ টিৰ সংস্কাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জি এছ্ টি সংস্কাৰৰ পদক্ষেপক প্ৰশংসা কৰি এই কথা প্ৰকাশ কৰে। দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে জনসাধাৰণক স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে আহ্বান জনোৱাৰ লগতে পৰৱৰ্তী প্ৰজন্মই জি এছ্ টি সংস্কাৰ কিদৰে আত্মনিৰ্ভৰতা বৃদ্ধি কৰিব সেই বিষয়েও আলোকপাত কৰে। তেওঁ লগতে কয়, যে জি এছ্ টি হ্ৰাসৰ পদক্ষেপে কৃষি, স্বাস্থ্য, বস্ত্ৰ আৰু মানৱ নিৰ্মিত ফাইবাৰ আদি বিভিন্ন খণ্ডত উৎপাদন বৃদ্ধি কৰিব

দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী ব্যৱহাৰৰ ক্ষেত্ৰত স্বদেশী বস্তু ব্যৱহাৰ কৰি, প্ৰতিখন ঘৰকে স্বদেশীৰ প্ৰতীক কৰি, দেশক আত্মনিৰ্ভৰ ৰূপে গঢ়ি তোলাত অৰিহণা আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনায়।

কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে জি এছ্ টিৰ বৃহৎ সংস্কাৰৰ কাৰ্যকৰীকৰণৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। আজিৰে পৰা কাৰ্যকৰী হোৱা জি এছ্ টি সংস্কাৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি সংবাদমেলত কয়, যে এই সংস্কাৰে সমগ্ৰ দেশৰ মধ্যবিত্ত শ্ৰেণী, দুখীয়া আৰু নিম্ন আয়ৰ লোকসকলক যথেষ্ট সকাহ দিয়াৰ লগতে দেশৰ ১৪০ কোটি নাগৰিকক উপকৃত কৰিব। ৰাষ্ট্ৰক সম্বোধি দিয়া প্ৰধানমন্ত্ৰীৰ ভাষণক আলোকপাত কৰি মন্ত্ৰী শ্ৰীবৈষ্ণৱে কয়, যে এই সংস্কাৰৰ ফলত পাকঘৰৰ সামগ্ৰীৰ পৰা গাড়ীলৈ, প্ৰায় ৯৯ শতাংশ দৈনিক ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য হ্ৰাস পাব। আজিৰে পৰা আৰম্ভ হোৱা জি এছ্ টি সঞ্চয় উৎসৱৰ বাবে মন্ত্ৰী শ্ৰীবৈষ্ণৱে দেশবাসীলৈ শুভেচ্ছা জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা আৰম্ভ হোৱা জি এছ্ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰি কয়, যে ই দেশৰ কৰ ব্যৱস্থা সৰল, স্বচ্ছ আৰু জনসাধাৰণৰ সুবিধাজনক হোৱাৰ ক্ষেত্ৰত এটা নতুন অধ্যায়ৰ মুকলি কৰিব। জি এছ্ টি সংস্কাৰে অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱাত কৰৰ বোজা হ্ৰাস কৰি জনসাধাৰণক পোনপটীয়াকৈ সকাহ দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ অৰুণাচল প্ৰদেশত ৫ হাজাৰ ১০০ কোটি টকাতকৈও অধিক পৰিমানৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ দুটা বৃহৎ জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আন বিভিন্ন প্ৰকল্পৰ লগতে টাৱাঙৰ সীমান্ত জিলাত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাথনি প্ৰকল্প মুকলি কৰিব। এই

প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যখনৰ যোগাযোগ, স্বাস্থ্য, অগ্নি নিৰ্বাপন সেৱাকে ধৰি কেইবাটাও ক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰিব।

প্ৰধানমন্ত্ৰীয়ে আজি ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা-অৰ্চনা কৰিব।

০০০০০

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে কালিৰে পৰা অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। অসমৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা জনতাৰ শিল্পী জুবিন গাৰ্গক শেষ দৰ্শনৰ বাবে গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশাও অজস্ৰ গুণমুগ্ধই ভীৰ কৰে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি সন্ধিয়া অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৱাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ড০ শৰ্মাই লগতে সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীসভাই জনতাৰ শিল্পীগৰাকীৰ চিতাভস্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লয়।

০০০০০

লোকসেৱা আৰু সু-শাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত চৰকাৰে দেশলৈ পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ ক্ষেত্ৰত অক্লান্তভাৱে কাম কৰি আহিছে। **সেৱা পৰ্ব** শীৰ্ষক এই বিশেষ শৃংখলাত আজি আমি মোদী চৰকাৰে কোটি কোটি জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে সুলভ মূল্যৰ গৃহ আৰু আধুনিক নগৰীয়া আন্তঃগাঁথনি নিশ্চিত কৰাৰ দিশটো আলোকপাত কৰাৰ প্ৰয়াস কৰিছো।

বিগত ১১ বছৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে ৰূপান্তৰৰ বীজ সিঁচিছে। নাগৰিককেন্দ্ৰিক সংস্কাৰৰ জৰিয়তে জনসাধাৰণৰ বিশেষকৈ প্ৰান্তীয় লোকসকলৰো জীৱন সহজ আৰু সৰল কৰি তোলাৰ প্ৰয়াস চলোৱা হৈছে।

০০০০০

পাকিস্তানৰ উত্তৰ-পশ্চিম খাইবাৰপাখতুনখাৱা প্ৰদেশত সেনাৰ অভিযানত কালি নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন তেহৰিক-ই-তালিবান পাকিস্তানৰ ৭ জন সন্ত্ৰাসবাদী নিহত হয়। যোৱা শনিবাৰে দক্ষিণ ৱাজিৰিস্তান সীমান্তৰ ডেৰা ইছমাইল খান জিলাত সন্ত্ৰাসবাদীৰ উপস্থিতি সন্দৰ্ভত লাভ কৰা তথ্যৰ ভিত্তিত সেনাই অঞ্চলটোত অভিযান চলায়। নিহত সন্ত্ৰাসবাদীকেইজনৰ ভিতৰত তিনিজন আফগান নাগৰিক আৰু দুজন আত্মঘাতী বোমাৰু আছিল বুলি পাকিস্তান সেনাৰ বিবৃতিত প্ৰকাশ পাইছে।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। ভাৰতে ১৭২ ৰানৰ বিজয়

লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। অভিষেক শৰ্মাই ৭৪ আৰু শুভমন গিলে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়।

ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ছাহিবজাদা ফাৰহানে সৰ্বাধিক ৫৮ ৰান কৰে। ভাৰতৰ এই জয়ে ৰান ৰেট শক্তিশালী কৰাৰ লগতে প্ৰতিযোগিতাখনত দলটোৰ স্থিতি সবল কৰিছে।

০০০০০

সমাপ্ত